# পুনৰ সংস্থাপন পৰিকল্পনা তথ্য

**Summary Resettlement Plan for Tranche-1**
**Document Stage: Draft for Consultation**
**Project Number: TA 7096 - IND**
**May 2009**

## ভাৰতবৰ্ষ : অসমৰ শক্তি খণ্ডত কাৰ্য্যক্ষমতা বৃদ্ধিৰ প্ৰস্তুতি।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ।
অসম চৰকাৰ।

**The resettlement framework is a document of the borrower. The views expressed herein do not necessarily represent those of ADB's Board of Directors, Management or Staff and may be preliminary in nature**

# List of Acronyms

| | |
|---|---|
| ADB | Asian Development Bank |
| AEGCL | Assam State Electricity Grid Corporation Ltd |
| AP | Affected Persons |
| ASEB | Assam State Electricity Board |
| DC | District Collector |
| DDP | Desert Development Program |
| DSM | Demand Side Management |
| EA | Executing Agency |
| ESMU | Environment and Social Management Unit |
| FGD | Focus Group Discussions |
| GOA | Government of Assam |
| GOI | Government of India |
| GRC | Grievance Redress Committee |
| IA | Implementing Agency |
| IRM | India Resident Mission |
| Kms | Kilometres |
| LAA | Land Acquisition Act 1894, as amended in 1984 |
| LAO | Land Acquisition Officer |
| M&E | Monitoring and Evaluation |
| MTFF | Multi-Trance Financing Facility |
| MRM | Management Review Meeting |
| NGOs | Non-Government Organizations |
| NRRP | National Rehabilitation and Resettlement Policy, 2007 |
| PMU | Project Management Unit |
| RF | Resettlement Framework |
| RP | Resettlement Plan |
| SC | Scheduled Castes |
| SIA | Social Impact Assessment |
| SRP | Short Resettlement Plan |
| SC | Scheduled Castes |
| SRP | Short Resettlement Plan |
| ST | Scheduled Tribes |

## ১. পৰিচয় আৰু প্ৰকল্পৰ পশ্চাৎপট (Background)

প্ৰস্তাৱিত প্ৰকল্পখন এখন **Multi Trench Financing Facility (MTFF)** ৰ অধীনত আগবঢ়োৱা হব। অসমত, এই শক্তিৰ কাৰ্য্যকাৰিতা বৃদ্ধিৰ প্ৰকল্পখন, যাৰ দ্বাৰা নিম্ন কাৰ্বন ক্ষেত্ৰৰ উন্নতি ঘটোৱাৰ চেষ্টা কৰা হৈছে। সেইবোৰৰ ভিতৰত, ইয়াৰ দ্বাৰা ঃ

(ক) কাৰিকৰী লোকচান কমাবলৈ আৰু পৰিবহন আৰু বিতৰণৰ **Network** ৰ শাৰিৰীক ক্ষমতা বৃদ্ধি

(খ) **Demand side Management (DSM)** উন্নতিকৰণৰ লগে লগে মূলতঃ শক্তি উৎপাদনৰ অনান্য উৎসবোৰৰ ক্ষমতা বৃদ্ধি কৰা। প্ৰকল্পখনত **MTFF** ৰ কাৰ্য্যকৰী এজেঞ্চি হব অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ। এইখন এখন **Summary Resettlement Plan** যাক **Tranche-1 Component** ৰ বাবে তৈয়াৰ কৰা হৈছে, যিয়ে উপ-কেন্দ্ৰৰ নিৰ্ম্মান আৰু উপ-কেন্দ্ৰৰ সংযোগী পৰিবাহী লাইনৰ বৃদ্ধি ও প্ৰসাৰ সামৰি লব।

## ২. ভূমি অধিগ্ৰহণ আৰু পুনৰ সংস্থাপনৰ ওপৰত প্ৰভাৱ

**Tranche-1** প্ৰকল্পৰ বাবে ভূমি অধিগ্ৰহণ আৰু পুনৰ সংস্থাপনৰ এক মূল্যায়ন আগবঢ়োৱা হৈছে। যথোপযুক্ত কাৰিকৰী উপায়েৰে সমূহ গৰাকীয়ে যাতে সঠিকভাৱে অংশগ্ৰহণ কৰিব পাৰে তাৰ বাবে **Tranche-1** প্ৰকল্পৰ অধীনৰ পুনৰ সংস্থাপন প্ৰক্ৰিয়া সংক্ষিপ্তকৰণ কৰিছে। যিহেতু এই প্ৰকল্পসমূহে বিদ্যুৎ পৰিবাহী লাইন সামৰি লয় যাৰ বাবে অতি কমকৈ ভূমি অধিগ্ৰহণ কৰা হয়। সেয়ে ইয়াত নতুনকৈ কোনো ভূমি অধিগ্ৰহণ কৰা আৱশ্যক নহয়। এই প্ৰকল্পৰ অধীনৰ উপ-কেন্দ্ৰসমূহ চৰকাৰী ভূমিত নিৰ্ম্মান কৰা হব। এই প্ৰকল্পৰ অধীনত নিৰ্ম্মান হব লগা সৰ্বমুঠ ৬ (ছটা) উপ-কেন্দ্ৰৰ ৩ (তিনিটা) চৰকাৰী ভূমিত ২ (দুটা) চাহ বাগিচাৰ অধীনস্থ ভূমিত আৰু ১ (এটা) উপ-কেন্দ্ৰৰ বাবে ভূমি অধিগ্ৰহণৰ আৱশ্যক হব। অৱশ্যে উপ-কেন্দ্ৰটো নিৰ্ম্মানৰ বাৱে আৱশ্যকীয় মাটিৰ পৰিমান অতি কম। প্ৰায় ২৪.০৯ হেক্টৰ। ইয়াৰে প্ৰায় ১২.০৫ হেক্টৰ হব চৰকাৰী ভূমি আৰু বাকী ১২.০৪ হেক্টৰ হব ব্যক্তিগত ভূমি। বিদ্যুৎ পৰিবাহী লাইন (প্ৰায় ২৬২ কি. মি.) সমূহ নিৰ্ম্মানৰ বাৱে স্থায়ীভাৱে কোনো ভূমি অধিগ্ৰহণৰ প্ৰয়োজন নহব অৱশ্যে নিৰ্ম্মানৰ সময়ত কৃষিভূমিৰ সাময়িক ভাৱে কিছু ক্ষতি হব। সৰ্বমুঠ ৯ টা আক্ৰান্ত পৰিয়ালৰ ৪ টা জনজাতীয় পৰিয়ালে তেওঁলোকৰ কৃষি ভূমিৰ এটা সৰু অংশ হেৰুৱাব যিটো অংশৰ পৰা তেওঁলোকৰ মুঠ উৎপাদিত কৃষিৰ ১০% তকৈও কম। তেওঁলোকৰ ক্ষয় ক্ষতিৰ যঠোপযুক্ত ক্ষতিপূৰণ দিয়াৰ বাবে এই পুনৰ সংস্থাপন আচঁনিখনত প্ৰস্তাৱ লোৱা হৈছে। মুঠ ২২ জন আক্ৰান্ত ব্যক্তিৰ ১২ জন পুৰুষ আৰু ১০ গৰাকী মহিলা। সৰ্বমুঠ ৬ টা পৰিয়াল তেওঁলোকৰ বাৰ্ষিক আয়ৰ ক্ষেত্ৰত আক্ৰান্ত হব। অৱশ্যে তেওঁলোকৰ কোনোটোৱেই ইয়াৰ ফলত বেয়াকৈ আক্ৰান্ত নহব কাৰণ তেওঁলোকে তেওঁলোকৰ ১০% তকৈও কম উৎপাদিত সম্পতিহে হেৰুৱাব। তলৰ তালিকাত ইয়াৰ বিতং তথ্য দাঙি ধৰা হল ঃ

**তালিকা ১: Summary Impact on Land Acquisition and Resettlement**

| ক্ৰমিক নং | প্ৰভাৱ | সংখ্যা/ পৰিমান |
|---|---|---|
| ১ | ব্যক্তিগত ভূমিৰ মুঠ কালি (হেক্টৰ) | ১২.০৪ |
| ২ | চাহ বাগানৰ ভূমিৰ মুঠ কালি (হেক্টৰ) | ৬.৬৯ |
| ৩ | কৃষি ভূমিৰ মুঠ কালি (হেক্টৰ) | ৫.৩৫ |
| ৪ | মুঠ খণ্ড সংখ্যা | ০ |
| ৫ | সামাজিক সম্পদৰ মুঠ সংখ্যা | ০ |
| ৬ | গছৰ মুঠ সংখ্যা | ০ |
| ৯ | প্ৰভাৱিত গৃহৰ মুঠ সংখ্যা | ৯ |
| ১০ | হলনীয় গৃহৰ মুঠ সংখ্যা | ৬ |
| ১১ | পট্টাদাৰৰ মুঠ সংখ্যা | ৯ |
| ১২ | পট্টা বিহীনৰ মুঠ সংখ্যা | ০ |
| ১৩ | প্ৰভাৱিত ব্যক্তিৰ মুঠ সংখ্যা | ২২ |

উৎস : ***Census and Inventory Survey***

## ৩. POLICY, LEGAL FRAMEWORK AND ENTITLEMENT MATRIX

নীতি নিৰ্ধাৰণ আৰু **Entitlements for the Programe** জাতীয় আইনৰ ওপৰত নিৰ্ভৰশীলঃ

**The Land Acquisition Act 1894 (LAA, Amended in 1984) and the National Rehabilitation and Resettlement policy, 2007 (WRRP), and ADB's Policy on Involuntary Resettlement,** ১৯৯৫ যিবোৰ সংস্থাপন নীতি আচঁনিখনৰ বাবে গ্ৰহণ কৰা হব, সেইবোৰ উপ-প্ৰকল্পৰ বাবেও গ্ৰহণ কৰা হব। **Tranch-1** আচঁনিখনৰ অন্তৰ্গত উপ-প্ৰকল্পবোৰ হল ঃ

ক. ভূমি অধিগ্ৰহণ, আৰু অনান্য হঠাৎ ঘটোৱা পুনৰ সংস্থাপনে পেলোৱা প্ৰভাৱ বোৰৰ সম্ভবপৰ সকলোধৰনৰ বিকল্প উপ-প্ৰকল্পৰ দ্বাৰা হ্ৰাস বা শেষ কৰাৰ চেষ্টা কৰা হব।

খ. যত শেষ কৰিব নোৱাৰি সময় ভিত্তিক পুনৰ সংস্থাপন তৈয়াৰ কৰা হব আৰু ক্ষতিগ্ৰস্থ লোকসকলে ইয়াৰ উন্নতিৰ বাবে সহযোগিতা কৰিব আৰু যাতে তেওঁলোকৰ **Pre-program standard of living** পুনৰ লাভ কৰিবলৈ সক্ষম হয়।

গ. ক্ষতিপুৰণ বিষয়ত ক্ষতিগ্ৰস্থ লোকসকলৰ সৈতে পৰামৰ্শ কৰি পুনৰ সংস্থাপন তথ্য প্ৰকাশ আৰু উপ-প্ৰকল্পৰ পৰিকল্পনা আৰু ৰূপায়নত ক্ষতিগ্ৰস্থ লোকসকলৰ অংশগ্ৰহণ নিশ্চিতকৰণ।

ঘ. স্পৰ্শকাতৰ গোটসমূহক বিশেষভাৱে সহায় আগবঢ়োৱা

ঙ. ক্ষতিগ্ৰস্থ লোকসকলৰ লগতে **Non-titled persons** (অবৈধ দখলকাৰী, ন-ভগনীয়া আৰু অবৈধ আবাসীসকলক) উপযুক্ত ক্ষতিপূৰণ দিয়া হয় যাতে তেওঁলোকে বদলিকৰণ মূল্যত **(Replacement Rate)** সম্পতি আহৰণ কৰিব পাৰে।

চ. ঠিকাদাৰে ভূমি অধিগ্ৰহণ কৰা বা কোনো নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰাৰ আগতে ক্ষতিপূৰণ তথা নতুন বন্দবস্তিৰ ব্যৱস্থা কৰা।

ছ. আয়ৰ প্ৰতিদান তথা পুনৰ সংস্থাপনৰ ব্যৱস্থা।

জ. সঠিকভাৱে অভিযোগ গ্ৰহণ আৰু নিষ্পতিৰ ব্যৱস্থা কৰা।

তলত সকলো ধৰণৰ ক্ষতিপূৰণ আৰু সাহাৰ্য্য ধৰি এক সম্পূৰ্ণ বৰ্ণনা আগবঢ়োৱা হল। হেৰুওৱা সম্পত্তিৰ মালিকীস্বত্বৰ স্বৰূপ আৰু ইয়াৰ প্ৰভাৱৰ পৰিসৰ তথা আক্ৰান্তসকলৰ ওপৰত সামাজিক আৰু অৰ্থনৈতিক প্ৰভাৱৰ ওপৰত নিৰ্ভৰ কৰি আক্ৰান্তসকলক পুনৰ সংস্থাপনৰ যুটিয়া স্বৰ্ত প্ৰদান কৰা হয়।

| **ক্ৰমিক নং** | **ক্ষতিৰ ক্ষেত্ৰ** | **ভূমিৰ প্ৰকাৰ** | **প্ৰভাবিত ব্যক্তিৰ সংজ্ঞা** | **চৰ্তাৱলী** |
|---|---|---|---|---|
| ১ | ব্যক্তিগত ভূমি | কৃষি, ঘৰুৱা বা অব্যৱহৃত ভূমি | আক্ৰান্ত ব্যক্তিৰ সাধাৰণ ভূমিৰ স্বৰ্তৰ সৈতে স্থানীয় কৰ্তৃপক্ষৰ পৰা অনুজ্ঞা পত্ৰ। | ১. বদলিকৰণৰ ক্ষতিপূৰণ মূল্য।<br>২. নিম্নতম মজুৰীৰ ওপৰত ভিত্তি কৰি তিনি মাহৰ পৰিৱৰ্তন ভাট্টা।<br>৩. গৃহ পৰিৱৰ্তনৰ বাৱে সাহাৰ্য্য প্ৰদান (প্ৰতি গৃহত ১০,০০০.০০ টকা)।<br>৪. খেতি চপাবলৈ জাননী দিয়া। যদি জাননী দিয়া নহয় তেন্তে খেতিৰ বাবদ সাহাৰ্য্য প্ৰদান।<br>৫. অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান। |
| | | | ৰায়ত আৰু পট্টাদাৰ | ১. ম্যাদী জমা বা অসম্পূৰ্ণ লীজৰ ক্ষেত্ৰত অতিৰিক্ত ক্ষতিপূৰণ প্ৰদান।<br>২. নিম্নতম মজুৰীৰ ওপৰত ভিত্তি কৰি তিনি মাহৰ পৰিৱৰ্তন ভাট্টা।<br>৩. গৃহ পৰিৱৰ্তনৰ বাৱে সাহাৰ্য্য প্ৰদান। |
| | | | খেতিৰ অংশীদাৰ | ১. খেতি চপাবলৈ জাননী দিয়া। যদি জাননী দিয়া নহয় তেন্তে খেতিৰ বাবদ সাহাৰ্য্য প্ৰদান। |

| ক্ৰমিক নং | ক্ষতিৰ ক্ষেত্ৰ | ভূমিৰ প্ৰকাৰ | প্ৰভাৱিত ব্যক্তিৰ সংজ্ঞা | চৰ্তাৱলী |
|---|---|---|---|---|
| | | | | ২. অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান। |
| ২ | চৰকাৰী ভূমি | কৃষি, ঘৰুৱা বা অব্যৱহৃত ভূমি | পট্টাদাৰ | ১. অসম্পূৰ্ণ লীজৰ ক্ষতিপূৰণ প্ৰদান।<br>২. নিম্নতম মজুৰীৰ ওপৰত ভিত্তি কৰি তিনি মাহৰ পৰিৱৰ্তন ভাট্টা।<br>৩. গৃহ পৰিৱৰ্তনৰ বাবে সাহাৰ্য্য প্ৰদান কৰা (প্ৰতি গৃহত ১০,০০০.০০ টকা)।<br>৪. খেতি চপাবলৈ জাননী দিয়া। যদি জাননী দিয়া নহয় তেন্তে খেতিৰ বাবদ সাহাৰ্য্য প্ৰদান।<br>৫. অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান। |
| | | | দখলকাৰী | ১. দখলীকৃত ভূমিৰ পৰা স্থানান্তৰিত হবলৈ আগতীয়া জাননী।<br>২. খেতি চপাবলৈ জাননী দিয়া। যদি জাননী দিয়া নহয় তেন্তে খেতিৰ বাবদ সাহাৰ্য্য প্ৰদান।<br>৩. অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান। |
| | | | ন-ভগনীয়া | ১. দখলীকৃত ভূমিৰ পৰা স্থানান্তৰিত হবলৈ আগতীয়া জাননী।<br>২. খেতি চপাবলৈ জাননী দিয়া। যদি জাননী দিয়া নহয় তেন্তে খেতিৰ বাবদ সাহাৰ্য্য প্ৰদান।<br>৩. অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান।<br>৪. অঞ্চল আৰু অনান্য সা-সম্পত্তিৰ সলনিকৰনৰ মূল্য। |
| ৩ | বসতি কৰা অঞ্চল | বসতি কৰা অঞ্চল আৰু অনান্য সম্পতি | বিধিসন্মত পট্টাদাৰ | ১. মাচুল, কৰ আৰু অন্যান্য যাৱতীয় খৰচ।<br>২. স্থানান্তৰনৰ মূল্য নূন্যতম ১০,০০০.০০ টকা<br>৩. সামগ্ৰী ও সম্পতি সংৰক্ষণৰ অধিকাৰৰ বাবদ সলনিকৰনৰ মূল্যৰ কোনো অংশ কাটি ৰাখিব নোৱাৰিব।<br>৪. অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান। |
| | | | ৰায়ত আৰু পট্টাদাৰ | ১. স্থান পৰিৱৰ্তনৰ মূল্য ও আক্ৰান্তৰ নিৰ্মিত অন্যান্য সামগ্ৰীৰ মূল্য।<br>২. ম্যাদী জমা বা অসম্পূৰ্ণ লীজৰ ক্ষতিপূৰণ।<br>৩. প্ৰতি গৃহৰ স্থানান্তৰনৰ মূল্য অন্ততঃ ১০,০০০.০০ টকা |
| | | | দখলকাৰী আৰু ন-ভগনীয়া | ১. স্থান পৰিৱৰ্তনৰ মূল্য ও আক্ৰান্তৰ নিৰ্মিত অন্যান্য সামগ্ৰীৰ মূল্য। |

| ক্ৰমিক নং | ক্ষতিৰ ক্ষেত্ৰ | ভূমিৰ প্ৰকাৰ | প্ৰভাবিত ব্যক্তিৰ সংজ্ঞা | চৰ্তাৱলী |
|---|---|---|---|---|
| | | | | ২. প্ৰতি গৃহৰ স্থানান্তৰনৰ মূল্য নূন্যতম ১০,০০০.০০ টকা<br>৩. অঞ্চলটোৰ সামগ্ৰী তথা অনান্য সম্-পতিৰ সংৰক্ষনৰ অধিকাৰ।<br>৪. অত্যাৰশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান। |
| ৪ | ব্যৱসায়িক খণ্ড | ব্যৱসায়িক খণ্ড আৰু অনান্য | বিধিসন্মত পট্টাদাৰ | ১. স্থান পৰিৰ্বতনৰ অন্যান্য সামগ্ৰীৰ মূল্য।<br>২. মাচুল, কৰ আৰু অন্যান্য যাৱতীয় খৰচ।<br>৩. প্ৰতি খণ্ডত ২৫০০০.০০ অধিক এককালীন সাহাৰ্য্য।<br>৪. প্ৰতি গৃহৰ স্থানান্তৰনৰ মূল্য নূন্যতম ১০,০০০.০০ টকা।<br>৫. সামগ্ৰী ও সম্পত্তিৰ সংৰক্ষণৰ অধিকাৰৰ বাবদ সলনিকৰন মূল্যৰ কোনো অংশ কাটি ৰাখিব নোৱাৰিব।<br>৬. অত্যাৰশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান। |
| | | | ৰায়ত আৰু পট্টাদাৰ | ১. স্থান পৰিৰ্বতনৰ মূল্য ও আক্ৰান্তৰ নিৰ্মিত অন্যান্য সামগ্ৰীৰ মূল্য।<br>২. ম্যাদী জমা বা অসমপূৰ্ণ লীজৰ ক্ষতিপূৰণ।<br>৩. প্ৰতি খণ্ডত ২৫০০০.০০ অধিক এককালীন সাহাৰ্য্য।<br>৪. প্ৰতি গৃহৰ স্থানান্তৰনৰ মূল্য নূন্যতম ১০,০০০.০০ টকা।<br>৫. থুনুকা/অত্যাৰশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান।<br>৬. সামগ্ৰী ও সম্পত্তিৰ সংৰক্ষণৰ অধিকাৰৰ বাবদ সলনিকৰন মূল্যৰ কোনো অংশ কাটি ৰাখিব নোৱাৰিব। |
| | | | দখলকাৰী আৰু ন-ভগনীয়া | ১. স্থান পৰিৰ্বতনৰ মূল্য ও আক্ৰান্তৰ নিৰ্মিত অন্যান্য সামগ্ৰীৰ মূল্য।<br>২. ম্যাদী জমা বা অসমপূৰ্ণ লীজৰ ক্ষতিপূৰণ।<br>৩. প্ৰতি খণ্ডত ২৫০০০.০০ অধিক এককালীন সাহাৰ্য্য।<br>৪. প্ৰতি গৃহৰ স্থানান্তৰনৰ মূল্য নূন্যতম ১০,০০০.০০ টকা।<br>৫. থুনুকা/অত্যাৰশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান।<br>৬. সামগ্ৰী ও সম্পত্তিৰ সংৰক্ষণৰ অধিকাৰৰ বাবদ সলনিকৰন মূল্যৰ কোনো অংশ কাটি |

| ক্ৰমিক নং | ক্ষতিৰ ক্ষেত্ৰ | ভূমিৰ প্ৰকাৰ | প্ৰভাবিত ব্যক্তিৰ সংজ্ঞা | চৰ্তাৱলী |
|---|---|---|---|---|
| | | | | ৰাখিব নোৱাৰিব। |
| ৫ | জীৱিকা | জীৱিকা | বিধিসন্মত/ৰায়ত/পট্টাদাৰ/ অ-নামাংকৃত/ব্যৱসায়িক খণ্ড/খেতিয়ক/কৃষিকাৰ্য্য | ১. নিম্নতম মজুৰীত ওপৰত ভিত্তি কৰি তিনি মাহলৈ জীৱিকা হেৰুৱা লোকলৈ সাহাৰ্য্য প্ৰদান।<br>২. অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰীৰ ক্ষেত্ৰত অতিৰিক্ত সাহাৰ্য্য প্ৰদান।<br>৩. প্ৰকল্পত সংস্থাপনৰ ব্যৱস্থা কৰা। |
| ৬ | খেতি আৰু গছৰ ক্ষতি | অৱস্থিত খেতি আৰু গছ গছনি | বিধিসন্মত/ৰায়ত/পট্টাদাৰ/ অ-নামাংকৃত/ব্যৱসায়িক খণ্ড/খেতিয়ক/কৃষিকাৰ্য্য | ১. ঋতুৰ খেতি চপাবলৈ আগতীয়া জাননী প্ৰদান।<br>২. যদি জাননী দিয়া নহয় তেন্তে তেন্তে প্ৰচলিত বজাৰ দৰত ক্ষতিপূৰণ প্ৰদান।<br>৩. প্ৰচলিত বজাৰ দৰত কাঠ পাব পৰা গছৰ ক্ষতিপূৰণ, বছৰজুৰি ফল দিয়া গছৰ বাৰ্ষিক মূল্যৰ ক্ষতিপূৰণ। |
| ৭ | স্পৰ্শকাতৰ ক্ষতিগ্ৰস্থৰ ওপৰত প্ৰভাৱ | সকলো প্ৰভাৱ | স্পৰ্শকাতৰ ক্ষতিগ্ৰস্থ | ১. অতিৰিক্ত এককালীন আৰ্থিক সাহাৰ্য্যঃ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা সকললৈ অনুদান আৰু দুৰ্বল যেনে- মহিলা, অনুসূচিত জাতি ও জনজাতিৰ লোক আৰু বিকলাংগ সকললৈ ১০,০০০.০০ টকাকৈ অনুদান।<br>২. এই প্ৰকল্পৰ নিৰ্ম্মানত অত্যাৱশ্যকীয় ঘৰুৱা সামগ্ৰীক অগ্ৰাধিকাৰ দিয়া হৰ। |
| ৮ | মাটিৰ সাময়িক ক্ষতি | উপ-প্ৰকল্পৰ বাবে সাময়িক মাটি অধিগ্ৰহণ | বিধি-সন্মত পট্টাদাৰ/ অনামাংকৃত ক্ষতিগ্ৰস্থ | ১. ক্ষতিগ্ৰস্থ ভূমি ব্যৱহাৰ কৰা সময়ৰ বাবে খাজানা প্ৰদান।<br>২. সলনি মূল্যত হেৰুৱা সম্পত্তিৰ ক্ষতিপূৰণ<br>৩. ভূমিক সৰক্ষা দি পূৰ্বৰ অৱস্থা বাহাল ৰখা বা তাতোকৈ উন্নত কৰা।<br>৪. নিৰ্মান বা মেৰামতি কৰোতে নষ্ট হোৱা কৃষিৰ বাবদ অতিৰিক্তভাৱে নগদ মূল্য প্ৰদান কৰা। ক্ষতিগ্ৰস্থক পৰিবাহী লাইনৰ তলত কৃষি কৰ্ম্মৰ বাবে অনুমতি প্ৰদান কৰা। |
| ৯ | সাধাৰণ সম্পদৰ ক্ষতি | সাধাৰণ সম্পদ | সমাজ | ৰাজহুৱা সম্পদ যেনে- ধৰ্ম্মীয় অনুস্থান, ৰাজহুৱা পানীযোগান ব্যৱস্থা, আচঁনি ইত্যাদিৰ স্থানান্তৰ ও পুনৰ নিৰ্ম্মান। |
| ১০ | অ-চিহ্নিত অনান্য ক্ষতি | | | অ-চিহ্নিত অনান্য ক্ষতি অনিচ্ছাকৃত, পূৰ্বে অনুমান নকৰা প্ৰভাববোৰ লিখি ৰখা হৰ আৰু ইয়াৰ বাবে গ্ৰহণ কৰা ব্যৱস্হা সমূহ পুনৰ সংস্থাপনৰ গঠণৰ ওপৰত নিৰ্নয় কৰা হব। |

**৪. আনুস্থানিক যা-যোগাৰ**

প্ৰস্তাবিত **MTFF** ৰ বাবে **ASEB A Executing Agency** হিচাপে কাম কৰিব। প্ৰস্তাবিত বিনিয়োগ আচঁনিখনৰ বাবে প্ৰয়োজনীয় পৰিবহণ আৰু বিতৰণ কোম্পানী হব **Implementing Agency**। ইতিমধ্যে এখন **Project Monitoring Unit**

**(PMU)** আছে আৰু ই **ADB Phase-II** ঋণ পৰিপালন কৰাৰ লগতে প্ৰস্তাবিত আচঁনিখনৰ যাৱতীয় কাম কাজ পৰিচালনা কৰাৰ বাবে দায়বদ্ধ। PMU ৰ তলত এটা **Environment & Social Management Unit (PMU)** গঠণ কৰা হব যাৰ লগত অনান্য কাৰিকৰী গোটবোৰে সামাজিক আৰু পৰিবেশ সম্পৰ্কীয় সমস্যাবোৰ লৈ যোগাযোগ ৰক্ষা কৰিব। ইয়াত পাৰিপাৰ্শ্বিক আৰু পুনৰ সংস্থাপন বিশেষজ্ঞ থাকিব। **Environment & Social Management Unit (ESMU)** ক এটা পাৰিপাৰ্শ্বিক আৰু এটা পুনৰ সস্থাপন বিশেষজ্ঞই সহায় কৰিব যি সকলো ধৰণৰ কাম কাজৰ বাবে দায়বদ্ধ থাকিব। PMU ই সকলোৰে সৈতে যোগাযোগ ৰক্ষা কৰি ইয়াৰ পৰিকল্পনা আদিক কাৰ্যকৰী ৰূপ দিব। **EA** ই স্থানীয় নিকায়/নিগম/চৰকাৰ আৰু অঞ্চলটোৰ মুখ্য অনুস্থান আদিৰ লগত আলোচনা কৰি পুনৰ সংস্থাপন আঁচনিৰ খচৰা প্ৰস্তুত আৰু কাৰ্যকৰী ৰূপ দিব।

## ৫. CONSULTATION, DISCLOSURE AND GRIEVANCE

**Tranch-1** প্ৰকল্পটোৰ অধিনৰ পুনৰ সংস্থাপন আঁচনিৰ বিষয়টোৰ বাবে বিভিন্ন চৰকাৰী বিভাগৰ আমোলা আৰু স্থানীয় লোকৰ লগত বিভিন্ন দিশত আলোচনা কৰা হৈছে। সকলো ক্ষতিগ্ৰস্থ লোকৰ সৈতে পৃথকে পৃথকে আলোচনা কৰা হৈছে। সকলো স্থানীয় লোকে প্ৰকল্পটোৰ অধীনৰ উপ-প্ৰকল্পসমূহৰ কাম সুচাৰোৰূপে সমাপন হোৱাত মত পোষণ কৰিছে। এই আলোচনা প্ৰক্ৰিয়া প্ৰকল্পটোৰ শেষলৈ চলি থাকিব।

## ৬. RESETTLEMENT BUDGET AND FUND FLOW MECHANISM

পুনৰসংস্থাপন আচঁনিখনে ক্ষতিপূৰণ, পুনৰ সংস্থাপনৰ খৰচ আদি বিষয় সমূহ সামৰি লব আৰু ই প্ৰকল্পৰ মুঠ খৰচৰ অন্তৰভুক্ত। ইয়াত ভূমি অধিগ্ৰহণ ও পুনৰ সংস্থাপনৰ খৰচৰ বাবে মুঠ ১৭.৮৯ মিলিয়ন টকা ধাৰ্য্য কৰা হৈছে। ভূমি অধিগ্ৰহণ পুনৰ সংস্থাপন আচঁনিখনৰ এটা মুখ্য অংশ আৰু ইয়াৰ বাবে **EA (ASEB)** য়ে বাৰ্ষিক বাজেটত টকা ধাৰ্য্য কৰি ক্ষতিপূৰণ মুকলি কৰি দিব।

## ৭. IMPLEMENTATION SCHEDULE, MONITORING AND EVALUATION

ভূমি অধিগ্ৰহণ, পুনৰ সংস্থাপন আৰু ক্ষতিপূৰণ **Civil Works** আৰম্ভ হোৱাৰ আগতেই আদায় দিব লাগিব যাতে অধিগ্ৰহণ কৰা ভূমি বেদখল মুক্ত কৰি ঠিকাদাৰক কাম কৰাৰ সুবিধা দিয়া হয়। **PMU/PIU/ESMU** এই দিশ সমূহ চোৱা চিতা কৰিব।

*****************